
اللغة اسامية

অসমীয়া

دليل المسلم الجديد، ما هو الإسلام؟

للشيخ د. هيثم سرحان

# নৱ মুছলিমৰ গাইড ইছলাম কি?



Shaykh Dr. Haytham Sarhan

رِسَالَةٌ مُخْتَصَرَةٌ بِعُنْوَانِ:

# «كَيْفَ أَدْخُلُ فِي الإِسْلاَمِ؟»

مُتَرْجَمَةٌ إِلَى اللُّغَةِ: الآسامية

# মই ইছলামত কেনেকৈ প্ৰৱেশ কৰিম?


إِعْدَادُ الْفَقِيرِ إِلَى عَفْوِ رَبِّهِ:

## هَيْثَم بْنِ مُحَمَّدٍ سَرْحَان

الـمُدرِّس بمعهد الحرم بالمسجد النَّبويِّ -سابقًا- والـمُشرِف على معهد السُّنَّة

**প্ৰণয়ন**

**শ্বাইখ হাইছাম ছাৰহান**

**মছজিদে নবৱীৰ মাহাদৰ প্ৰাক্তন শিক্ষক**

**আৰু ছুন্নাহ কলেজৰ পৰিচালক**

https://mahadsunnah.com/

غفر الله له ولوالديه ولمن أعانه على إخراج هذا الكتاب

قامَ بتَرجَمَتِها: رفيق الإسلام بن حبيب الرحمن -وفَّقَهُ اللهُ وسَدَّدَهُ-

**অনুবাদ**

**শ্বাইখ ৰফিকুল ইছলাম বিন হাবীবুৰ ৰহমান**



الطَّبعة الأولى

**প্ৰথম প্ৰকাশ**



[حقوق الطَّبع مُتاحةٌ لكلِّ مسلمٍ بدون أيِّ تغييرٍ في المُحتوى]

| بِاللغة الآسامية অসমীয়া | |
|---|---|
| **প্ৰশ্ন** | **উত্তৰ** |
| ইছলামত প্ৰৱেশ কৰা সহজনে? | হয়। ইছলামত প্ৰৱেশ কৰিবলৈ কোনো মধ্যস্ততাৰ প্ৰয়োজন নাই। ইছলাম গ্ৰহণ কৰা একেবাৰে সহজ। |
| মই ইছলামত প্ৰৱেশ কৰিবলৈ খৰখেদা কৰা উচিতনে? নে কোনো উচিত সময়ৰ বাবে অপেক্ষা কৰা ভাল? নে আগতে জটিলতাবোৰ আঁতৰাই লোৱা উচিত? | সৎকৰ্মত ততাতৈয়া কৰাটো জৰুৰী। গতিকে ইছলাম গ্ৰহণত পলম কৰিলে হয়তো পিছলৈ এনেকুৱা কোনো ঘটনা ঘটিব পাৰে যাৰ ফলত ইছলাম গ্ৰহণত বাধাৰ সৃষ্টি হ'ব। অথবা ইয়াৰ আগতে আপোনাৰ মৃত্যু হ'ব পাৰে। এতেকে ইছলাম গ্ৰহণ কৰাটো হৈছে এটা লাভজনক ব্যৱসায়ৰ দৰে। লাভজনক ব্যৱসায় আপুনি যিমান খৰখেদা কৰি আৰম্ভ কৰিব, সিমানেই লাভান্বিত হ'ব। |
| ইছলাম গ্ৰহণ কৰিবলৈ কি কৰিব লাগে? | ইছলাম গ্ৰহণ কৰিবলৈ কেৱল এই কথাৰ সাক্ষ্য দিয়াটোৱে যথেষ্ট। **أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ، وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ** মই সাক্ষ্য দিওঁ যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই আৰু মুহাম্মদ (চাল্লাল্লাহু আলাইহি অছাল্লাম) হৈছে আল্লাহৰ বান্দা আৰু তেওঁৰ ৰাছুল। |
| এই কথাষাৰ কোনটো ভাষাত ক'ব লাগিব? | আপুনি যিটো ভাষা ভালকৈ জানে সেইটো ভাষাত ক'লেও কোনো অসুবিধা নাই। আৰবী ভাষাতে যে ক'ব লাগিব এইটো জৰুৰী নহয়। |
| অৰ্থ নজনাকৈ এইটো ক'লে হ'বনে? | নহয়। বৰং অৰ্থসহ জানি বুজি উচ্চাৰণ কৰাটো জৰুৰী। লগতে ইয়াত যি স্বীকৃতি দিয়া হৈছে তাৰ প্ৰতি বিশ্বাস কৰা উচিত আৰু সেইমতে আমল কৰা উচিত। |

| | |
|---|---|
| “আশ্বহাদু” শব্দৰ অৰ্থ কি? | ইয়াৰ অৰ্থ হৈছেঃ মই অন্তৰেৰে বিশ্বাস কৰি, মুখেৰে স্বীকৃতি দিওঁ আৰু অংগ-প্ৰত্যংগৰ জৰিয়তে ইয়াৰ দাবীসমূহৰ প্ৰতি আমল কৰোঁ। |
| “লা ইলা-হা ইল্লাল্লাহ” ৰ অৰ্থ কি? | ইয়াৰ অৰ্থ হৈছে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই। |
| “আন্না মুহাম্মাদান আব্দুহু অৰাছুলুহ”ৰ অৰ্থ কি? | ইয়াৰ অৰ্থ হৈছেঃ মুহাম্মদ হৈছে আল্লাহৰ এজন বান্দাহ, তেওঁ কোনো উপাস্য নহয়। লগতে তেওঁ হৈছে এজন ৰাছুল, সেয়ে তেওঁক অস্বীকাৰ কৰা উচিত নহয়।<br><br>এই সাক্ষ্য দিয়াৰ পিছত, তেওঁ দিয়া যাৱতীয় সংবাদ বিশ্বাস কৰা জৰুৰী হৈ পৰে। লগতে জৰুৰী হৈ পৰে তেওঁৰ আনুগত্য কৰা, লগতে তেওঁ নিষেধ কৰা বস্তুবোৰৰ পৰা বিৰত থকা, তেওঁৰ ছুন্নতৰ অনুসৰণ কৰা আৰু অনুকৰণ কৰা অনিবাৰ্য হৈ পৰে। |
| ঠিক আছে বাৰু এইখিনি বুজিলোঁ। এতিয়া মোৰ কৰণীয় কি? | এতিয়া আপুনি প্ৰথমে মোৰ সৈতে কওকঃ “আশ্বহাদু আন লা ইলা-হা ইল্লাল্লাহ, ওৱা আশ্বহাদু আন্না মুহাম্মাদান আব্দুহু অৰাছুলুহ”। মই সাক্ষ্য দিওঁ যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই আৰু মুহাম্মদ (চাল্লাল্লাহু আলাইহি অছাল্লাম) হৈছে আল্লাহৰ ৰাছুল। |
| এতিয়া মই মুছলিম হৈ গ’লোঁনে? | হয়। আলহাম্দুলিল্লাহ, এতিয়া আপুনি মুছলিম। আপোনাৰ ওপৰত আল্লাহৰ এইটো এটা মহা অনুগ্ৰহ। |
| মই এজন মুছলিম হিচাপে আপুনি মোক কি উপদেশ দিব? | মই আপোনাক এইটোৱে উপদেশ দিম যে, আপুনি আল্লাহৰ ওচৰত দুআ কৰক, তেওঁ যেন আপোনাক তেওঁৰ দ্বীনৰ ওপৰত অটল ৰাখে |

| | |
|---|---|
| | আৰু সৎসঙ্গীৰ লগত থাকিবলৈ সুযোগ দিয়ে, যিয়ে ধৰ্মীয় ক্ষেত্ৰত আপোনাক সহায় কৰিব। লগতে উপদেশ দিম আপুনি ইছলামৰ বিধি-বিধান সম্পৰ্কে জ্ঞান অৰ্জন কৰক, আৰু উপযুক্ত সময় আৰু পৰিৱেশতহে মুছলিম হোৱা বুলি প্ৰকাশ কৰিব। |
| এই ক্ষেত্ৰত মোৰ বাবে উত্তম দুআ কোনটো? | ﴿ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ ﴾[الفاتحة]. অৰ্থঃ হে আল্লাহ! আমাক সঠিক পথ দেখুৱাই দিয়া। |
| আটাইতকৈ সহজ দুআ কোনটো? | আটাইতকৈ সহজ দুআ হৈছে ﴿بِسۡمِ اللّٰهِ﴾ বিছমিল্লাহ, এইটো মছজিদত আৰু ঘৰত প্ৰৱেশ কৰাৰ সময়ত আৰু ওলোৱাৰ সময়ত পঢ়িব লাগে। এইদৰে কোৰআন তিলাৱত কৰাৰ সময়ত, গোছল কৰাৰ আগত, কাপোৰ খোলাৰ সময়ত, অজু কৰাৰ আগত, পানাহাৰ কৰাৰ আগত....... ইত্যাদি ঠাইত পঢ়িব লাগে। |
| ইছলাম গ্ৰহণ কৰাৰ পূৰ্বে মই যিবোৰ গুনাহ কৰিছিলোঁ সেইবোৰৰ বিধান কি? | ইছলাম গ্ৰহণ কৰিলে পূৰ্বৰ সকলো গুনাহ মাফ হৈ যায়। কেৱল বান্দাৰ সৈতে সম্পৰ্কীয় গুনাহবোৰৰ বাহিৰে। যদি কাৰোবাৰ অধিকাৰ খৰ্ব কৰা হৈছিল তেন্তে সেইটো ঘূৰাই নিদিয়ালৈকে গুনাহ ক্ষমা নহয়। |
| শ্বাহাদাহ উচ্চাৰণ কৰাৰ পিছত মই এতিয়া কি কৰিব লাগিব? | এতিয়া আপুনি প্ৰথমে ভালকৈ গোছল কৰিব লাগিব। |
| গোছল কিয় কৰিম? | **প্ৰথমঃ** মুছলিমে কোনো বিধানৰ ক্ষেত্ৰতে কিয় বুলি নকয়। বৰং তেওঁলোকে কয়ঃ ﴿سَمِعۡنَا وَاَطَعۡنَا﴾[النُّور:51] আমি শুনিলোঁ আৰু মানিলোঁ।<br>**দ্বিতীয়ঃ** আপুনি গোছল এইকাৰণে কৰিব লাগিব যে, যিদৰে আপুনি আপোনাৰ |

| | |
|---|---|
| | আভ্যন্তৰীণ দিশটো পৱিত্ৰ কৰিছে, সেইদৰে আপোনাৰ বাহ্যিক দিশটোও পৰিস্কাৰ-পৰিচ্ছন্ন আৰু পৱিত্ৰ কৰিব লাগিব। |
| আচ্ছা ঠিক আছে, তেন্তে গোছল কেনেকৈ কৰিব লাগিব? | অন্তৰেৰে গোছল কৰাৰ নিয়্যত কৰি বিছমিল্লাহ বুলি কওক আৰু গোটেই শৰীৰ পানীৰে ভালকৈ ধুই লওক। |
| গোছল কৰাৰ পিছত কি কৰিম? | গোছল কৰাৰ পিছত নামাজৰ সময় হ'লে নামাজ পঢ়িব। |
| মোৰ পক্ষে নামাজ পঢ়া জটিল, কাৰণ নামাজত যি যি ক'ব লাগে আৰু যি যি কৰিব লাগে সেয়া মই ভালকৈ নাজানো? | ইছলাম একেবাৰে সহজ ধৰ্ম। ইয়াত কোনো জটিলতা নাই। আলহাম্দুলিল্লাহ। |
| তেন্তে মই নামাজ কেনেকৈ পঢ়িম? | মই যেনেকৈ নামাজ পঢ়িম, আপুনি মোৰ অনুসৰণ কৰক। অথবা নামাজ শিক্ষাৰ ভিডিঅ চাওক। মাহাদুচ্ছুন্নাহ নামক ইউটিউব চেনেলত আপুনি কেইবাটাও ভাষাত ইয়াৰ ভিডিঅ পাব। তলত ইয়াৰ লিংক দিয়া আছে। |
| নামাজৰ পিছত মোৰ আৰু শিকিবলগীয়া কি আছে? | আপুনি ইছলামৰ মৌলিক পাঁচটা স্তম্ভ সম্পৰ্কে জ্ঞান অৰ্জন কৰক। ইয়াৰ পিছত ঈমানৰ আৰকান সম্পৰ্কে জ্ঞান অৰ্জন কৰক। এইদৰে আপুনি ইছলামৰ প্ৰতিটো বিষয় জনাৰ আৰু শিকাৰ চেষ্টা কৰক। |
| ইছলাম সম্পৰ্কে অধিক জানিবলৈ আপুনি মোক কোনবোৰ বেবছাইট ভিজিট কৰাৰ উপদেশ দিব? | মই আপোনাক সৰ্বোচ্চ উলামা পৰিষদৰ ৱেবছাইট আৰু ছৌদি আৰবৰ দাৱাহ চেণ্টাৰসমূহৰ বেবছাইট ভিজিট কৰিবলৈ উপদেশ দিম। |

| | |
|---|---|
| মোৰ অমুছলিম আত্মীয়সকলৰ সৈতে মই কেনেকুৱা ব্যৱহাৰ কৰিম? | আপুনি সেইদৰেই ব্যৱহাৰ কৰিব, যিদৰে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে অমুছলিমৰ সৈতে ব্যৱহাৰ কৰিছিল। তেখেতে নিজৰ চৰিত্ৰ, আচাৰ-আচৰণ, ভাল ব্যৱহাৰ আৰু উত্তম কথাৰ দ্বাৰা অমুছলিমসকলক ইছলামৰ প্ৰতি আহ্বান কৰিছিল। |
| এনেকুৱা লোকৰ বিষয়ে আপুনি কি ক'ব, যিয়ে ইছলাম গ্ৰহণ কৰিব বিচাৰে কিন্তু আত্মীয়সকলক ইছলাম গ্ৰহণ কৰা বুলি জনাব নিবিচাৰে? | ইছলাম গ্ৰহণ কৰিলেই যে, বেলেগৰ সন্মুখত নিজকে মুছলিম হিচাপে প্ৰমাণ কৰিব লাগিব সেয়া জৰুৰী নহয়। এইটো আল্লাহ আৰু আপোনাৰ মাজত থাকিলেই যথেষ্ট। |
| ইছলামৰ আটাইতকৈ পৱিত্ৰ আৰু উত্তম গ্ৰন্থ কোনখন? | আটাইতকৈ উত্তম গ্ৰন্থখন হৈছে কোৰআন। এইখন হৈছে আল্লাহৰ বাণী। |
| কোৰআনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ছুৰা কোনটো? | আটাইতকৈ গুৰুত্বপূৰ্ণ ছুৰাটো হৈছে, ছুৰা আল-ফাতিহা। এইকাৰণেই আমি এই ছুৰাটো নামাজৰ প্ৰত্যেক ৰাকাতত পাঠ কৰোঁ। |
| কোৰআনৰ আটাইতকৈ মহান আয়াত কোনটো? | কোৰআনৰ আটাইতকৈ মহান আয়াতটো হৈছে, আয়াতুল কুৰছী। |
| কোৰআন কেনেকৈ পঢ়িব পাৰিম? | কোৰআন শিকাৰ মাধ্যমত আৰু কোৰআন তিলাৱত শ্ৰৱণ কৰাৰ মাধ্যমত। যেনে- শ্বাইখ হুজাইফী আৰু হুচাৰী আদি প্ৰখ্যাত ক্বাৰীৰ তিলাৱত শ্ৰৱণ কৰিও শিকিব পাৰে। |
| কোৰআন কেনেকৈ বুজি পাম? | উম্মতৰ ডাঙৰ ডাঙৰ উলামাসকলে সংকলণ কৰা তাফছীৰ পঢ়ি আপুনি কোৰআন বুজিব পাৰিব। |

| | |
|---|---|
| কোৰআন তাফছীৰ ক'ত পাম? | বিনামূলীয়া তাফছীৰ পাবলৈ আপুনি মদীনাত অৱস্থিত বাদশ্বাহ ফাহাদ কোৰআন কমপ্লেক্সত যোগাযোগ কৰিব পাৰে। |
| কোৰআনৰ পিছত আপুনি মোক কোনখন গ্ৰন্থ পঢ়িবলৈ উপদেশ দিব? | মই আপোনাক ছহীহ হাদীছ গ্ৰন্থসমূহ অধ্যয়ন কৰাৰ উপদেশ দিওঁ। |
| হাদীছৰ আটাইতকৈ উত্তম গ্ৰন্থ কোনখন? | হাদীছৰ আটাইতকৈ উত্তম আৰু সঠিক গ্ৰন্থ হৈছে, "ছহীহ বুখাৰী"। উম্মতৰ সকলো মানুহেই এই ক্ষেত্ৰত একমত। লগতে মই আপোনাক উপদেশ দিম, তলত দিয়া লিংকত ক্লিক কৰি তাত থকা কিতাপসমূহ ডাউনলোড কৰি লব। |
| আটাইতকৈ গুৰুত্বপূৰ্ণ হাদীছ কোনটো? | আটাইতকৈ গুৰুত্বপূৰ্ণ হাদীছটো হৈছে, হাদীছে জিব্ৰীল। য'ত দ্বীনৰ তিনিটা পৰ্যায় উল্লেখ হৈছে। ইছলাম, ঈমান আৰু ইহছান। |
| মোৰ আশংকা হয়, মই হয়তো ইছলাম সম্পৰ্কে শিকিব নোৱাৰিম? | ভয় নকৰিব। বৰং আল্লাহৰ ওপৰত ভৰসা কৰক। আল্লাহেই আপোনাক সহায় কৰিব। দ্বীন একেবাৰেই সহজ। আল্লাহে যি পছন্দ কৰে আৰু যিবোৰ ভাল পায়, তেওঁ আপোনাক সেইবোৰ কৰাৰ তাওফীক দিয়ক। |
| | আপুনি আমাৰ সৈতে ঘৰত বহিয়ে ছুন্নাহ কলেজৰ পৰা বিনামূলীয়াভাৱে শিক্ষা লব পাৰে। তলত ছুন্নাহ কলেজৰ লিংক দিয়া আছে। |
| | শেষত মই আপোনাক নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ এই হাদীছৰ দ্বাৰা উপদেশ দিওঁ, য'ত তেখেতে কৈছেঃ «**احْرِصْ عَلَى مَا يَنْفَعُكَ، وَاسْتَعِنْ بِاللهِ، وَلَا تَعْجِزْ**». |

অৰ্থঃ “যিটো তোমাৰ বাবে উপকাৰী, সেইটো অৰ্জন কৰিবলৈ আগ্ৰহী হোৱা, লগতে আল্লাহৰ সহায় কামনা কৰা, নিৰাশ নহ’বা”।

## ছুন্নাহ কলেজৰ লিংকসমূহ

| | | |
|---|---|---|
| টেলিগ্ৰাম লিংক | ফেচবুক লিংক | |
| মাহাদ ছুন্নাহ ৱেবছাইট | কিতাপসমূহ ডাউনলোড কৰাৰ লিংক | ইউটিউব চেনেল |

## 3 তাওহীদৰ প্ৰকাৰসমূহ

ৰুবুবিয়্যত (প্ৰভুত্ব), উলুহিয়্যত (ইবাদত) আৰু আচমা অচ্ছিফাত (নাম আৰু তেওঁৰ গুণাৱলী) আদিৰ ক্ষেত্ৰত আল্লাহক একক তথা অদ্বিতীয় বুলি বিশ্বাস কৰা।

তাওহীদ হৈছে তিনি প্ৰকাৰ

### তাওহীদুৰ ৰুবুবিয়্যাহ (প্ৰভুত্বৰ ক্ষেত্ৰত তাওহীদ)

অৰ্থাৎ কৰ্মত আল্লাহক একক বুলি বিশ্বাস কৰা, তথা সৃষ্টি কৰাৰ ক্ষেত্ৰত, ৰাজত্বৰ ক্ষেত্ৰত আৰু পৰিচালনাৰ ক্ষেত্ৰতো আল্লাহক একক তথা অদ্বিতীয় বুলি স্বীকাৰ কৰা।

### তাওহীদুল উলুহিয়্যাহ (ইবাদতৰ ক্ষেত্ৰত তাওহীদ)

সৰ্বশক্তিমান আল্লাহক ইবাদতত তথা বান্দাৰ সকলো কৰ্ম সম্পাদনৰ ক্ষেত্ৰত একক বুলি বিশ্বাস কৰা।

### তাওহীদুল আচমা অচ্ছিফাত (নাম আৰু গুণাৱলীৰ ক্ষেত্ৰত তাওহীদ)

আল্লাহে স্বয়ং তেওঁৰ নিজৰ বাবে যিবোৰ নাম আৰু গুণাৱলী পৱিত্ৰ কোৰআনত নিৰ্ধাৰণ কৰিছে অথবা ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে যিবোৰ নাম আৰু গুণাৱলীৰে তেওঁক বিশেষিত কৰিছে, সেইবোৰক সেইমতে স্বীকাৰ কৰিব লাগিব যিদৰে বৰ্ণিত হৈছে। তাত কোনো ধৰণৰ পৰিবৰ্তন, পৰিবৰ্ধন, ধৰণ-গঠণ বিকৃতি আদি কৰা কোনো পধ্যেই বৈধ নহয়।

## দ্বীনৰ পৰ্যায় হৈছে তিনিটা

### ইছলাম

সৰ্বশক্তিমান আল্লাহৰ তাওহীদ স্বীকাৰ কৰি তেওঁৰ ওচৰত আত্মসমৰ্পন কৰা, বৈশ্যতা স্বীকাৰ কৰি তেওঁৰ আনুগত্য কৰা, লগতে শ্বিৰ্ক আৰু মুশ্বৰিকৰ পৰা সম্পৰ্কচ্ছেদৰ ঘোষণা কৰা।

**ইছলামৰ আৰকানসমূহ 5**

১- শ্বাহাদাতাইন
২- নামাজ প্ৰতিষ্ঠা কৰা
৩- যাকাত আদায় কৰা
৪- ৰমাজান মাহৰ ৰোজা ৰখা
৫- সক্ষম হ'লে বাইতুল্লাহৰ হজ্জ কৰা

### ঈমান

মৌখিকভাৱে স্বীকাৰ কৰা, অন্তৰেৰে বিশ্বাস কৰা আৰু অংগ-প্ৰত্যংগৰ দ্বাৰা আমল কৰাৰ নামেই হৈছে ঈমান। ঈমান বৃদ্ধি হয় আৰু হ্ৰাসো হয়।

**আৰকানুল ঈমান 6**

১- আল্লাহৰ প্ৰতি ঈমান পোষণ কৰা
২- ফিৰিস্তাসকলৰ প্ৰতি ঈমান পোষণ কৰা
৩- ঐশীগ্ৰন্থসমূহৰ প্ৰতি ঈমান পোষণ কৰা
৪- ৰাছুলসকলৰ প্ৰতি ঈমান পোষণ কৰা
৫- শেষ দিৱসৰ প্ৰতি ঈমান পোষণ কৰা
৬- ভাগ্যৰ মঙ্গল-অমঙ্গলৰ প্ৰতি ঈমান পোষণ কৰা

### ইহছান

ইহছান হৈছে আল্লাহৰ ইবাদত এনেকৈ কৰা যেনিবা তুমি আল্লাহক দেখি আছা, আৰু যদি এইটো অনুভৱ নহয় তেন্তে মনত ৰাখিবা তেওঁ তোমাক দেখি আছে।

**ইয়াৰ এটাই ৰুকন কিন্তু দুটা স্তৰ**

১- প্ৰত্যক্ষ দৰ্শন হিচাপে ইবাদত কৰা, অৰ্থাৎ এইটো অনুভৱ কৰি আল্লাহৰ ইবাদত কৰা যে, তুমি আল্লাহক দেখি আছা।
২- আনহাতে যদি সেইটো অনুভৱ নহয়, তেন্তে এইটো অনুভৱ কৰিবা যে, আল্লাহে তোমাক দেখি আছে।

## 4 হাৰামৰ প্ৰকাৰসমূহ

### শ্বিৰ্কে আকবাৰ

(এই শ্বিৰ্কত লিপ্ত ব্যক্তি ইছলামৰ পৰা বহিষ্কাৰ হৈ যায়, এই শ্বিৰ্কত লিপ্ত হৈ মৃত্যুবৰণ কৰা ব্যক্তি কেতিয়াও ক্ষমাৰ যোগ্য নহয়) উদাহৰণস্বৰূপে, আল্লাহৰ সমকক্ষ স্থিৰ কৰা, আল্লাহৰ ওচৰত যিদৰে দুআ কৰা হয়, সেইদৰে তাৰ ওচৰত দুআ কৰা। অথবা ভয়, আশা আৰু মুহাব্বত সেইদৰেই কৰা, যিদৰে আল্লাহক কৰা হয়। অথবা তাৰ উদ্দেশ্যে কোনো ইবাদত কৰা ইত্যাদি।

### সৰু শ্বিৰ্ক

(ইয়াৰ ফলত বান্দা ইছলামৰ পৰা বহিষ্কৃত নহয়, বৰং এইটো হৈছে এটা কাবীৰাহ গুনাহ)উদাহৰণস্বৰূপে, এনেকৈ কোৱা যে, আল্লাহে আৰু আপুনি যি বিচাৰে। এইদৰে আল্লাহৰ বাহিৰে আনৰ শপত খোৱা, মানুহক দেখুৱাবলৈ আমল কৰা, তাবিজ-কৱচ আদি ব্যৱহাৰ কৰা, কোনো বস্তুক মঙ্গল-অমঙ্গল বুলি বিশ্বাস কৰা, কাঠি আৰু কড়ি আদি এই বিশ্বাসত ওলমাই ৰখা যে, এইবোৰ ৰাখিলে একোৱে ক্ষতি কৰিব নোৱাৰিব বা কুদৃষ্টিৰ পৰা সুৰক্ষিত থাকিব।

### কাবীৰাহ গুনাহ

(যিবোৰ গুনাহৰ বাবে বিশেষ শাস্তি নিৰ্ধাৰিত আছে সেইবোৰকে কাবীৰাহ গুনাহ বোলে)যেনে- যাদু, পিতৃ-মাতৃৰ অবাধ্যতা, সুত, ব্যভিচাৰ, সমকামিতা, মিছা কথা, মাদক দ্ৰব্য সেৱন, চুৰি, গীবত, অন্যায়ভাৱে কাৰোবাক হত্যা কৰা, অনাথৰ সম্পদ আত্মসাৎ কৰা ইত্যাদি।

### চাগীৰাহ গুনাহ

(কাবীৰাহ গুনাহৰ বাহিৰে সকলো গুনাহেই হৈছে চাগীৰাহ গুনাহ) ক্ষমা প্ৰাৰ্থনা কৰিলে কাবীৰাহ গুনাহো মাফ হৈ যায়, আনহাতে চাগীৰাহ গুনাহত অটল থাকিলে সেইটো কাবীৰাহ গুনাহত পৰিণত হয়। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ (সৰু গুনাহৰ পৰাও বিৰত থাকিবা, কিয়নো কেতিয়াবা সৰু গুনাহবোৰো একত্ৰিত হৈ মানুহক ধ্বংসত পতিত কৰে।)

(নুবুওৱতৰ প্ৰমাণিকতা) আৰু (নুবুওৱতৰ প্ৰতীক)

# আল কোৰআনুল কাৰীম

ইয়াহয়া ইবনে আখথামে কৈছে: যি সময়ত মামুন আমিৰ আছিল তেতিয়া তেওঁ এখন পৰিষদৰ সভাৰ আয়োজন কৰিলে। সেই সভাত এজন ইয়াহুদী ব্যক্তিও উপস্থিত আছিল। তেওঁৰ শৰীৰত সুন্দৰ সাজ-পোছাক আছিল আৰু ভাল সুগন্ধিও ব্যৱহাৰ কৰিছিল। সেই ইয়াহুদীজনে বাকপটুতাৰে কথা কৈছিল।
য়াহয়া বিন আখথামে কৈছেঃ যেতিয়া সমাৱেশ শেষ হ'ল, তেতিয়া মামুনে তেওঁক মাতি সুধিলে: আপুনি ইজৰাইলী নেকি? – অৰ্থাৎ ইয়াহুদী নেকি?

তেওঁ উত্তৰত ক'লে: হয়।

মামুনে ইয়াহুদীজনক ক'লে: আপুনি মুছলমান হওক আৰু মই আপোনাক ভাল কিবা এটা প্ৰদান কৰিম, যিটো আপোনাৰ কাৰণেও ভাল হ'ব– লগতে তেওঁ ইয়াহুদীজনক আৰু কেইবাটাও ভাল প্ৰতিশ্ৰুতি দিলে যে, যদি তেওঁ ইছলামত প্ৰৱেশ কৰে তেন্তে তেওঁক সেইবোৰ দিয়া হ'ব।

ইয়াহুদীজনে উত্তৰ দিলে- মই মোৰ ধৰ্ম আৰু মোৰ পূৰ্বপুৰুষৰ ধৰ্মৰ ওপৰতে থাকিব বিচাৰোঁ। তাৰ পাছত তেওঁ সেই ঠাইৰ পৰা গুচি গ'ল।

বৰ্ণনাকাৰীয়ে কৈছেঃ এবছৰৰ পাছত সেই ইয়াহুদীজন আমাৰ ওচৰলৈ মুছলিম হৈ আহিল। তাৰ পিছত তেওঁ ফিকহ আৰু হাদীছৰ কথা ক'বলৈ ধৰিলে – আৰু তেওঁৰ বক্তৃতাও আছিল খুবেই উন্নতমানৰ।
যেতিয়া সমাৱেশ শেষ হ'ল, তেতিয়া মামুনে তেওঁক মাতিলে আৰু ক'লে: আপুনি সেইজন ব্যক্তিনে, যাক আমি ইয়াৰ আগত এবাৰ লগ পাইছিলোঁ?

তেওঁ উত্তৰ দিলে: হয়।

মামুনে তেওঁক সুধিলে: আপুনি মুছলিম কেনেকৈ হ'ল?

সেই মানুহজনে উত্তৰ দিলে: শুনক, প্ৰথমে "আল্লাহু আকবাৰ" (আল্লাহ সৰ্বশ্ৰেষ্ঠ) বুলি কওক। সেইদিনা যেতিয়া মই আপোনাৰ সমাৱেশৰ পৰা গুচি গ'লোঁ, তেতিয়া মই এই ধৰ্মবোৰক পৰীক্ষা কৰিবলৈ মনস্থ কৰিলোঁ। মোৰ লিখাৰ দক্ষতাও ভাল। সেয়ে তাওৰাতৰ এটা কপি লৈ সেইখনৰ আৰু তিনিটা কপি লিখি উলিয়াই দিলোঁ কিন্তু তাত কিছু অংশ যোগ কৰিলোঁ আৰু কিছু অংশ আঁতৰাই দিলোঁ। মই এই কপিবোৰলৈ ইয়াহুদী উপাসনালয় লৈ গ'লোঁ, য'ত তেওঁলোকে মোৰ পৰা এই কপিবোৰ কিনিছিল, যদিও তেওঁলোকে পঢ়া নাছিল আৰু পৰ্যালোচনাও কৰা নাছিল।

এইদৰে মই বাইবেলৰ এটা কপিলৈ সেইটোৰ পৰা তিনিটা কপি লিখি উলিয়ালোঁ, লগতে তাত কিছু অংশ যোগ কৰিলোঁ আৰু কিছু অংশ আঁতৰাই দিলোঁ। মই এই কপিবোৰলৈ গীৰ্জা ঘৰলৈ গ'লোঁ, য'ত তেওঁলোকে মোৰ পৰা এই কপিবোৰ কিনিছিল, কিন্তু সিহঁতেও এইবোৰ পঢ়া নাছিল আৰু পৰ্যালোচনাও কৰা নাছিল। ইয়াৰ পিছত মই কোৰআনৰ এটা কপি সংগ্ৰহ কৰিলোঁ, আৰু সেইখনৰ তিনিটা কপি লিখি উলিয়ালোঁ, লগতে তাত কিছু অংশ যোগ কৰিলোঁ আৰু কিছু অংশ আঁতৰাই দিলোঁ। মই এইবোৰ লৈ মুছলিম লেখকসকলৰ ওচৰলৈ গ'লোঁ, কিন্তু তেওঁলোকে ক'লে যে যেতিয়ালৈকে তেওঁলোকে এইবোৰ পঢ়ি পৰ্যালোচনা নকৰিব, তেতিয়ালৈকে তেওঁলোকে এইবোৰ গ্ৰহণ নকৰিব। ইয়াৰ পিছত লেখকসকলে সেই কপিবোৰ পঢ়ি গোটেইবোৰ ভুল আৱিষ্কাৰ কৰিলে– তাত যি যি আঁতৰাই দিয়া হৈছিল আৰু যি যি সংযোজন কৰা হৈছিল-। ইয়াৰ পিছত তেওঁলোকে মোৰ সেই কপিবোৰ জ্বলাই দিলে আৰু মোক প্ৰায় প্ৰাণে মাৰিবলৈ ধৰিছিল। তেতিয়া মই গম পালোঁ যে, এইখন (কোৰআন) আল্লাহৰ দ্বাৰা সংৰক্ষিত কিতাব। গতিকে এই কাৰণেই মই ইছলাম গ্ৰহণ কৰি মুছলমান হৈছোঁ।

السلام عليكم ورحمة الله وبركاته

আচ্ছালামু আলাইকুম অৰাহমাতুল্লাহি অবাৰাকাতুহ।

## جئتُ اليومَ لنتعلمَ معاً كيف نَتوضئ

## আজি আমি শিকিম অজু কেনেকৈ কৰিব লাগে।

قبل الوضوء لا بدَّ أنْ نذكرَ الله تعالى ، فنقُول: بسم الله

অজু আৰম্ভ কৰাৰ আগত আল্লাহৰ নামলৈ আৰম্ভ কৰাটো অনিবাৰ্য, সেয়ে আমি কওঁ, বিছমিল্লাহ।




ثم نَغسلَ كفينا جيد ثلاث مرات وينبغي أن نُدخل الماء بين أصابعنا

ইয়াৰ পিছত আমি হাতৰ সৰু গাঁঠিলৈকে তিনিবাৰ ভালকৈ ধুই লম, লগতে মনোযোগ ৰাখিব লাগিব যে, আঙুলিৰ ফাঁকে ফাঁকে যাতে পানী ঢুকি পায়।

هكذا

এইদৰে




ثم ندخل الماء إلى فمنا لنغسله جيد


ইয়াৰ পিছত মুখৰ ভিতৰভাগ পৰিস্কাৰ কৰিবলৈ তথা কুলি কৰিবলৈ মুখত পানী দিম।

هكذا

এইদৰে

نفعل ذلك ثلاث مرات، وهذا الفعل يسمى بالمضمضة

এইটো আমি তিনিবাৰ কৰিম, ইয়াক আৰবীত মাজমাজাহ বুলি কয়।




ونجعل بعض الماء في أنفنا ونخرجه مرة اخرى.
نفعل ذلك ثلاث مرات ايضاً.

ইয়াৰ পিছত নাক পৰিস্কাৰ কৰিবলৈ কিছু পৰিমাণ পানী নাকত সোমাই দিম আৰু সেই পানী নাকৰ পৰা উলিয়াই আনিম, এইটো আমি তিনিবাৰ কৰিম।




ثم نغسل وجهنا كاملاً هكذا ثلاث مرات.

তাৰ পিছত আমি সম্পূৰ্ণ মুখমণ্ডল ধুই লম। এইদৰে আমি তিনিবাৰ ধুই লম।

وينبغي أن يشملَ الماء الوجه كله من الأذنِ اليمنى إلى الأذنِ اليسرى.

মনোযোগ দিব লাগিব যে, সোঁ কাণৰ পৰা বাওঁ কাণলৈকে গোটেই মুখমণ্ডল যাতে ধোৱা হয়।

ومن أعلى الجبهة الى أسفل الذقن كما ترون.

কপালৰ উপৰি ভাগৰ পৰা থুঁতৰিৰ নিম্নভাগলৈকে, যিদৰে ছবিত দেখা পাইছে।




ثم نغسل يدينا ثلاث مرات من اطرافِ اصابعنا الى المرفقين . هكذا .

ইয়াৰ পিছত আমি আঙুলিৰ পৰা কিলাকুটিলৈকে এইদৰে তিনিবাৰ হাত ধুই লম।

نبدأ باليد اليمنى أولاً . تليها اليد اليسرى .

সোঁহাত প্ৰথমে ধুই লম, তাৰ পিছত বাওঁ হাত।




ثم نقوم بمسح رأسنا كله مرة واحدة . فنبدأ بالمسح من الأمام الى الخلف . ثم من الخلف الى الامام كما تشاهدون .

ইয়াৰ পিছত আমি সম্পূৰ্ণ মূৰ এবাৰ মছেহ কৰিম। মছেহ আৰম্ভ কৰিম আমি সন্মুখৰ পৰা পিছফাললৈকে আৰু পিছফালৰ পৰা সন্মুখলৈকে, যিদৰে ছবিত দেখা পাইছে।



ويمكن أن نمسحه من الأمام إلى الخلف فقط . اذا كان كثيفا .

যদি চুলি ঘন হয় অথবা দীঘল হয় তেনেহ'লে কেৱল সন্মুখৰ পৰা পিছফালে কৰিলেই যথেষ্ট।




ثم نمسح أذنينا معا من الداخل والخارج مرة واحدة بالماء الذي مسحنا به رأسنا منذ قليل .

ইয়াৰ পিছত আমি কাণৰ ভিতৰিভাগ আৰু বহিৰভাগ একেলগে মছেহ কৰিম, ইয়াৰ বাবে নতুনকৈ পানী লোৱাৰ প্ৰয়োজন নাই। মূৰ মছেহ কৰাৰ সময়ত লোৱা পানীয়েই যথেষ্ট।




ثم نأتي إلى الرجلين فنغسلهما الى الكعبين جيدا، ثلاث مرات .

ইয়াৰ পিছত আমি দুয়ো ভৰিক সৰু গাঁঠিলৈকে তিনিবাৰ ভালকৈ ধুই লম।

نبدأ بالرجل اليمنى اولا، ثم نتبعها بالرجلِ اليسرى.

প্ৰথমে আমি সোঁ ভৰি ধুই লম, তাৰ পিছত বাওঁ ভৰি।

## জাকাতুল ফিতৰ বা ফিৎৰাৰ বিধান:

ৰমজানৰ শেষৰ দিনা সূৰ্যাস্ত যোৱাৰ পিছত সৰু হওক বা ডাঙৰ, পুৰুষ হওক বা মহিলা, দাস হওক বা স্বাধীন, প্ৰতিজন মুছলমানৰ ওপৰতে ফিৎৰা আদায় দিয়া অনিবাৰ্য, এইটো আদায় কৰিব প্ৰত্যেক সেই ব্যক্তিয়ে যাৰ ওচৰত ইমানখিনি সম্পদ আছে যে, যাৰ দ্বাৰা সি ঈদৰ দিনা আৰু ৰাতি নিজৰ আৰু পৰিয়ালৰ মৌলিক প্ৰয়োজন পূৰণ কৰাৰ পিছত, তাৰ ওচৰত কিবা অতিৰিক্ত থাকিব।

গৰ্ভত থকা সন্তানৰ ফিৎৰা আদায় দিয়াটো মুস্তাহাব

- **ফিৎৰাৰ বিধান প্ৰণয়ন কৰাৰ ৰহস্য:**
  - ইয়াৰ দ্বাৰা ৰোজাদাৰৰ ৰোজাক ত্ৰুটিমুক্ত কৰা হয়।
  - লগতে এইটো এটা অন্যতম কাৰণ যে, ঈদৰ দিনা যাতে ফকীৰ মিছকীনসকলে খুজি-মাগি খাবলগীয়া নহয়।
- **ফিৎৰা আদায় দিয়াৰ সময়ঃ**

ঈদৰ এদিন বা দুদিন আগত আদায় কৰা বৈধ।

ফজৰৰ পিছত আৰু ঈদৰ নামাজৰ আগত আদায় দিয়া মুস্তাহাব।

ঈদৰ নামাজৰ পিছত আদায় দিয়া হাৰাম।

### ফিৎৰা হিচাপে কি আদায় দিব লাগে:

মানুহৰ বাবে পুষ্টিকৰ এক ছা পৰিমাণ খাদ্য দ্ৰব্য। উন্নতমানৰ ঘেঁহুৰ এক ছা'ৰ পৰিমাণ হৈছে ২ কিলো ৪০গ্ৰাম, আৰু সেই অনুসৰি প্ৰতিটো প্ৰকাৰৰ খাদ্যৰ ওজন বেলেগ বেলেগ।

মুদ্ৰাৰ দ্বাৰা ফিৎৰা দিয়া বৈধ নহয়।

### বিখ্যাত কিছুমান খাদ্যবস্তুৰ এক ছাৰ পৰিবৰ্তে মেট্ৰিক পদ্ধতিত তাৰ ওজন।

| | | |
|---|---|---|
| আটাঃ ১৪০০ গ্ৰাম | ঘেঁহু: ২০৪০ গ্ৰাম | বীন: ২০৬০ গ্ৰাম |
| চুজি: ২০০০ গ্ৰাম | দালি: ২১০০ গ্ৰাম | খেজুৰ: ১৮০০ গ্ৰাম |
| চাউল: ২৩০০ গ্ৰাম | বুট মাহ: ২০০০ গ্ৰাম | কিচমিচ: ১৬৪০ গ্ৰাম |

### প্ৰাপক আৰু পৰিমাণৰ ওপৰত ভিত্তি কৰি জাকাতৰ প্ৰকাৰ:

[1] এনেকুৱা জাকাত যিটোত দিবলগীয়া ধনৰাশি, পৰিশোধকাৰী আৰু গ্ৰহণকাৰীক নোচোৱাকৈ নিৰ্দিষ্ট কৰা হয়, যেনে জাকাত আল-ফিতৰ।

[2] যিটোত দিবলগীয়া ধন আৰু গ্ৰহণকাৰী দুয়োটাকে নিৰ্দিষ্ট কৰা হৈছে, যেনে ক্ষতিসাধনৰ ক্ষতিপূৰণ: "ছয়জন মিছকিনক খাদ্য দান কৰিব লাগিব; প্ৰতিজন মিছকিনক আধা ছাকৈ প্ৰদান কৰিব লাগিব।"

[3] যিটোত আদায়কাৰী আৰু গ্ৰহণকাৰী দুয়োকে নিৰ্দিষ্ট কৰা হৈছে, কিন্তু পৰিমাণ নিৰ্দিষ্ট নাই, যেনে শপতৰ কাফফাৰা।

# أخلاق المسلم

# মুছলিমৰ বৈশিষ্ট্য

অনুবাদ

শ্বাইখ ৰফিকুল ইছলাম বিন হাবীবুৰ ৰহমান

www.alsarhaan.com www.mahadsunnah.com

# মুছলিমৰ বৈশিষ্ট্য

﴿وَلَا تَعْتَدُوْا﴾ [البَقَرَةِ : 190]

সীমালংঘন নকৰিবা

﴿وَلَا تَعْثَوْا فِي الْاَرْضِ مُفْسِدِيْنَ ۝٦٠﴾ [البَقَرَةِ : 60]

পৃথিৱীত বিপৰ্যয় সৃষ্টি কৰি নুফুৰিবা।

﴿وَلَا تَلۡبِسُواْ ٱلۡحَقَّ بِٱلۡبَٰطِلِ﴾ [البقرة: 42]

আৰু তোমালোকে সত্যক মিছাৰ লগত মিশ্ৰিত নকৰিবা।

﴿وَلَا تَقۡفُ مَا لَيۡسَ لَكَ بِهِۦ عِلۡمٌۚ﴾ [الإسراء: 36]

আৰু যি বিষয়ে তোমাৰ কোনো জ্ঞান নাই, তাৰ অনুসৰণ নকৰিবা।

﴿وَلَا تَمۡشِ فِي ٱلۡأَرۡضِ مَرَحًاۖ إِنَّكَ لَن تَخۡرِقَ ٱلۡأَرۡضَ وَلَن تَبۡلُغَ ٱلۡجِبَالَ طُولٗا ۝٣٧﴾ [الإسراء: 37]

আৰু পৃথিৱীত ফুটনিমাৰি নুফুৰিবা, নিশ্চয় তুমি কেতিয়াও ভৰিৰে ভূপৃষ্ঠক বিদীৰ্ণ কৰিব নোৱাৰিবা আৰু কদাপিও পৰ্বত-সমান উচ্চতা লাভ কৰিব নোৱাৰিবা।

﴿وَلَا تُصَعِّرۡ خَدَّكَ لِلنَّاسِ وَلَا تَمۡشِ فِي ٱلۡأَرۡضِ مَرَحًاۖ إِنَّ ٱللَّهَ لَا يُحِبُّ كُلَّ مُخۡتَالٖ فَخُورٖ ١٨﴾ [لقمان: 18]

আৰু তুমি মানুহৰ প্ৰতি অৱজ্ঞা কৰি তোমাৰ গাল বেকা নকৰিবা, লগতে পৃথিৱীত ফিতাহি মাৰি নুফুৰিবা; নিশ্চয় আল্লাহে কোনো উদ্ধত, অহংকাৰীক পছন্দ নকৰে।

﴿لَا تَمُدَّنَّ عَيۡنَيۡكَ إِلَىٰ مَا مَتَّعۡنَا بِهِۦٓ أَزۡوَٰجٗا مِّنۡهُمۡ وَلَا تَحۡزَنۡ عَلَيۡهِمۡ وَٱخۡفِضۡ جَنَاحَكَ لِلۡمُؤۡمِنِينَ ٨٨﴾ [الحجر: 88]

আৰু তুমি মুমিনসকলৰ বাবে তোমাৰ বাহু নত কৰা (অৰ্থাৎ সদয় হোৱা)

﴿وَٱقۡصِدۡ فِي مَشۡيِكَ وَٱغۡضُضۡ مِن صَوۡتِكَۚ﴾ [لقمان: 19]

আৰু তুমি তোমাৰ চলা-ফুৰাৰ ক্ষেত্ৰত মধ্যমপন্থা অৱলম্বন কৰা আৰু

তোমাৰ কণ্ঠস্বৰ অৱনত কৰা।

﴿خُذِ ٱلۡعَفۡوَ وَأۡمُرۡ بِٱلۡعُرۡفِ وَأَعۡرِضۡ عَنِ ٱلۡجَٰهِلِينَ١٩٩﴾ [الأعراف: 199]

মানুহৰ (চৰিত্ৰ আৰু কৰ্মৰ) উৎকৃষ্ট অংশ গ্ৰহণ কৰা, সৎকৰ্মৰ আদেশ দিয়া আৰু অজ্ঞসকলক এৰাই চলা।

﴿ٱدۡفَعۡ بِٱلَّتِي هِيَ أَحۡسَنُ ٱلسَّيِّئَةَۚ﴾ [المؤمنون: 96]

তুমি সৎকৰ্মৰ দ্বাৰা অসৎকৰ্মক প্ৰতিহত কৰা।

﴿ٱدۡعُ إِلَىٰ سَبِيلِ رَبِّكَ بِٱلۡحِكۡمَةِ وَٱلۡمَوۡعِظَةِ ٱلۡحَسَنَةِۖ وَجَٰدِلۡهُم بِٱلَّتِي هِيَ أَحۡسَنُۚ﴾ [النحل: 125]

তুমি তোমাৰ প্ৰতিপালকৰ পথত মানুহক আহ্বান কৰা হিকমত আৰু সদুপদেশৰ দ্বাৰা আৰু সিহঁতৰ সৈতে উত্তম পন্থাত তৰ্ক কৰিবা।

﴿يَٰٓأَيُّهَا ٱلَّذِينَ ءَامَنُواْ لَا تُبۡطِلُواْ صَدَقَٰتِكُم بِٱلۡمَنِّ وَٱلۡأَذَىٰ﴾ [البقرة: 264]

হে ঈমান্দাৰসকল! দানৰ কথা প্ৰচাৰ কৰি আৰু (দান গ্ৰহণকাৰীক) কষ্ট

প্ৰদান কৰি তোমালোকে নিজৰ দানক নিষ্ফল নকৰিবা।

﴿وَلَا تَأۡكُلُوٓاْ أَمۡوَٰلَكُم بَيۡنَكُم بِٱلۡبَٰطِلِ﴾ [البقرة: 188]

আৰু তোমালোকে নিজৰ মাজতে এজনে আনজনৰ অৰ্থ-সম্পদ অন্যায়ভাৱে ভক্ষণ নকৰিবা।

﴿يَٰٓأَيُّهَا ٱلَّذِينَ ءَامَنُواْ لَا يَسۡخَرۡ قَوۡمٞ مِّن قَوۡمٍ عَسَىٰٓ أَن يَكُونُواْ خَيۡرٗا مِّنۡهُمۡ وَلَا نِسَآءٞ مِّن نِّسَآءٍ عَسَىٰٓ أَن يَكُنَّ خَيۡرٗا مِّنۡهُنَّۖ وَلَا تَلۡمِزُوٓاْ أَنفُسَكُمۡ وَلَا تَنَابَزُواْ بِٱلۡأَلۡقَٰبِۖ﴾ [الحجرات: 11]

হে ঈমান্দাৰসকল! কোনো মুমিন সম্প্ৰদায়ে যেন আন কোনো মুমিন সম্প্ৰদায়ক উপহাস নকৰে, কিয়নো যিসকলক উপহাস কৰা হৈছে তেওঁলোকে উপহাসকাৰীসকলতকৈ উত্তম হ'ব পাৰে; আৰু নাৰীসকলেও যেন আন আন নাৰীসকলক উপহাস নকৰে, কিয়নো যিসকলৰ উপহাস কৰা হৈছে তেওঁলোকে উপহাসকাৰীণী বিলাকতকৈও উত্তম হ'ব পাৰে। লগতে তোমালোকে ইজনে সিজনৰ প্ৰতি দোষাৰোপ নকৰিবা আৰু এজনে আনজনক বেয়া নামেৰে নামাতিবা।

﴿ ٱجۡتَنِبُواْ كَثِيرٗا مِّنَ ٱلظَّنِّ إِنَّ بَعۡضَ ٱلظَّنِّ إِثۡمٞۖ وَلَا تَجَسَّسُواْ وَلَا يَغۡتَب بَّعۡضُكُم بَعۡضًاۚ ﴾ [الحجرات: 12]

তোমালোকে অতিমাত্ৰা সন্দেহ কৰাৰ পৰা বিৰত থাকা। নিশ্চয় কিছুমান সন্দেহ হৈছে পাপ; লগতে তোমালোকে ইজনে সিজনৰ গোপনীয় বিষয় সন্ধান নকৰিবা আৰু এজনে আনজনৰ গীবত নকৰিবা।

﴿ ٱدۡخُلُواْ فِي ٱلسِّلۡمِ كَآفَّةٗ وَلَا تَتَّبِعُواْ خُطُوَٰتِ ٱلشَّيۡطَٰنِۚ إِنَّهُۥ لَكُمۡ عَدُوّٞ مُّبِينٞ ٢٠٨ ﴾ [البقرة: 208]

তোমালোকে পৰিপূৰ্ণভাৱে ইছলামত প্ৰৱেশ কৰা আৰু চয়তানৰ পদানুসৰণ নকৰিবা। নিশ্চয় সি তোমালোকৰ প্ৰকাশ্য শত্ৰু।

﴿وَإِذَا حُيِّيتُم بِتَحِيَّةٖ فَحَيُّواْ بِأَحۡسَنَ مِنۡهَآ أَوۡ رُدُّوهَآۗ إِنَّ ٱللَّهَ كَانَ عَلَىٰ كُلِّ شَيۡءٍ حَسِيبًا ٨٦﴾ [النساء: 86]

আৰু যেতিয়া তোমালোকক ছালাম দিয়া হয় তেতিয়া তোমালোকে

তাতোকৈ উত্তম ছালাম দিবা নাইবা অনুৰূপ প্ৰত্যুত্তৰ দিবা।

﴿ فَكُلُواْ مِنۡهَا وَأَطۡعِمُواْ ٱلۡبَآئِسَ ٱلۡفَقِيرَ ٢٨ ﴾ [الحج: 28]

এতেকে তোমালোকে নিজে খোৱা আৰু দুখীয়া-নিচলা, অভাৱগ্ৰস্তক আহাৰ কৰোৱা।

﴿وَءَاتُواْ ٱلۡيَتَٰمَىٰٓ أَمۡوَٰلَهُمۡۖ وَلَا تَتَبَدَّلُواْ ٱلۡخَبِيثَ بِٱلطَّيِّبِۖ وَلَا تَأۡكُلُوٓاْ أَمۡوَٰلَهُمۡ إِلَىٰٓ أَمۡوَٰلِكُمۡۚ إِنَّهُۥ كَانَ حُوبٗا كَبِيرٗا ٢﴾ [النساء: 2]

আৰু এতীমসকলক তোমালোকে সিহঁতৰ ধন-সম্পদ সমৰ্পণ কৰা; আৰু (শুনা!) তোমালোকে অপৱিত্ৰ বস্তুক পৱিত্ৰ বস্তুৰ দ্বাৰা সলনি নকৰিবা লগতে তোমালোকে নিজৰ সম্পদৰ সৈতে সিহঁতৰ সম্পদ মিশ্ৰিত কৰি গ্ৰাস নকৰিবা। নিশ্চয় এইটো মহাপাপ।

﴿ أَنفِقُواْ مِمَّا رَزَقۡنَٰكُم مِّن قَبۡلِ أَن يَأۡتِيَ يَوۡمٞ لَّا بَيۡعٞ فِيهِ وَلَا خُلَّةٞ وَلَا شَفَٰعَةٞۗ﴾ [البقرة: 254]

আমি তোমালোকক যি জীৱিকা প্ৰদান কৰিছোঁ তাৰ পৰা তোমালোকে

ব্যয় কৰা, সেই (শেষ বিচাৰৰ) দিৱস অহাৰ আগতে, যিদিনা ব্যৱসায়, বন্ধুত্ব আৰু চুপাৰিছ আদি একো নাথাকিব।

﴿ ٱتَّقُواْ ٱللَّهَ وَقُولُواْ قَوۡلٗا سَدِيدٗا ﴾ [الأحزاب: 70]

তোমালোকে আল্লাহৰ তাক্বৱা অৱলম্বন কৰা আৰু সঠিক কথা কোৱা;

﴿ وَبِٱلۡوَٰلِدَيۡنِ إِحۡسَانٗا وَذِي ٱلۡقُرۡبَىٰ وَٱلۡيَتَٰمَىٰ وَٱلۡمَسَٰكِينِ وَقُولُواْ لِلنَّاسِ حُسۡنٗا ﴾ [البقرة: 83]

পিতৃ-মাতৃ, আত্মীয়-স্বজন, এতীম আৰু দৰিদ্ৰৰ সৈতে সদায় সদ্ব্যৱহাৰ কৰিবা আৰু মানুহৰ লগত উত্তম কথা ক'বা।

﴿ وَتَعَاوَنُواْ عَلَى ٱلۡبِرِّ وَٱلتَّقۡوَىٰۖ وَلَا تَعَاوَنُواْ عَلَى ٱلۡإِثۡمِ وَٱلۡعُدۡوَٰنِۚ ﴾ [المائدة: 2]

সৎকৰ্ম আৰু তাক্বৱাৰ বিষয়ত তোমালোকে পৰস্পৰে পৰস্পৰক সহায়-সহযোগিতা কৰিবা, আনহাতে পাপকৰ্ম আৰু সীমালংঘনত এজনে আনজনৰ সহায়-সহযোগিতা নকৰিবা।

﴿ وَٱحۡفَظُوٓاْ أَيۡمَٰنَكُمۡۚ ﴾ [المائدة: 89]

তোমালোকে নিজৰ শপত ৰক্ষা কৰিবা।

﴿وَأَوۡفُواْ بِعَهۡدِ ٱللَّهِ إِذَا عَٰهَدتُّمۡ وَلَا تَنقُضُواْ ٱلۡأَيۡمَٰنَ بَعۡدَ تَوۡكِيدِهَا وَقَدۡ جَعَلۡتُمُ ٱللَّهَ عَلَيۡكُمۡ كَفِيلًاۚ إِنَّ ٱللَّهَ يَعۡلَمُ مَا تَفۡعَلُونَ﴿٩١﴾﴾ [النحل: 91]

আৰু তোমালোকে আল্লাহৰ অঙ্গীকাৰ পূৰণ কৰিবা যেতিয়া তোমালোকে অঙ্গীকাৰ কৰা, আৰু তোমালোকে আল্লাহক সাক্ষী কৰি শপত দৃঢ় কৰাৰ পিছত সেয়া ভঙ্গ নকৰিবা। নিশ্চয় তোমালোকে যি কৰা সেয়া আল্লাহে জানে।

﴿وَأَوۡفُواْ ٱلۡكَيۡلَ إِذَا كِلۡتُمۡ وَزِنُواْ بِٱلۡقِسۡطَاسِ ٱلۡمُسۡتَقِيمِۚ ذَٰلِكَ خَيۡرٞ وَأَحۡسَنُ تَأۡوِيلٗا﴿٣٥﴾﴾ [الإسراء: 35]

আৰু মাপি দিয়াৰ সময়ত পূৰ্ণমাত্ৰাত মাপি দিবা আৰু ওজন কৰিবা সঠিক তুলাচনীত, এইটোৱে উত্তম আৰু পৰিণামত উৎকৃষ্ট।

﴿ كُونُواْ قَوَّٰمِينَ بِٱلۡقِسۡطِ ﴾ [النساء: 135]

তোমালোকে ন্যায় বিচাৰত দৃঢ় প্ৰতিষ্ঠিত থাকিবা।

﴿ ٱعۡدِلُواْ ﴾ [المائدة: 8]

তোমালোকে সুবিচাৰ কৰিবা।